# ইন্দু বৰুৱাৰ কবিতা

**অদেখা যুঁজ নিজৰ স'তে**

ৰ'দহীন শেলুৱৈ ধৰা বুকু
আৰু এখন অমানিশা মুখ
দিন-প্ৰতিদিন যুঁজি নিজৰ স'তে
অবশ শৰীৰ
শিতানত শুই থাকে উজাগৰী ৰাতি...
কি থাকে, কি থাকে
মনৰ এৰাবাৰীত
প্ৰেম-ভালপোৱাৰ বিচ্যুতি
নে হৃদয় ভঙাৰ হাহাকাৰ
কি থাকে
পোৱা-নোপোৱাৰ সমীকৰণ নে
পাই হেৰুওৱাৰ পোৰা-পৰ্বত...
সাগৰসম অভিমানৰ সুউচ্চ ঢৌৰ সিপাৰে
সাজি লোৱা তুমি উদাসীনতাৰ নিজান দ্বীপ।

আমি ৰ'দ হৈ হাত মেলি দিওঁ
তুমি মৰীচিকা হোৱা...
নিজতে নিজে মজি
পাহৰণিৰ সপ্ত পাতালত
এৰি থৈ আহাঁ পা-পৰিয়াল সুহৃদ-সহচৰ।

দুহাতৰ স্পৰ্শেৰে ঠেলি দিব পৰা হ'লে
আত্মবিশ্বাস হেৰুওৱা হতাশাৰ কলীয়া ডাৱৰ
অপমৃত্যুৰ জোৱাৰত
জাকে জাকে নোডুবিলহেঁতেন
দুপৰৰ বেলি...

**বিভ্ৰান্ত সময়**

অথাই সাগৰত ডুবিছে বেলি...
সাঁতুৰিব নজনাকৈ
তুলি ধৰাৰ আপ্ৰাণ প্ৰয়াসত
আমি জাঁপ দিছোঁ।
খোপনি হেৰাইছে ভৰিৰ
হাত-ভৰি আচাৰি তুমি ঘোলা কৰা পানীত
ডুবিছোঁ, ডুবিছোঁ
ক্ৰমশঃ ডুবিছোঁ...
নুবুজিবা কাহানিও তুমি
ভালপোৱাৰ দাম

জীৱনেৰে পৰিশোধ কৰিও
তৃপ্ত হ'ব পাৰি...